# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-02-2026 **Time :** 1100 Hrs.

0000000000

কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত আজি কিছুসময়ৰ পাচতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। যুৱ সৰলীকৰণেৰে আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। এই উপলক্ষে খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। আজি কামৰূপ জিলাৰ তিনিহাজাৰ ৭১০ গৰাকী আৰু কামৰূপ মহানগৰ জিলাৰ এহেজাৰ ৮৬২ গৰাকী উদ্যোগীয়ে প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিব। ০০০০০

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। কালি প্ৰথমদিনা ৭ সহস্ৰাধিক ভকত বৈষ্ণৱে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী শীৰ্ষক গীত সমস্বৰে পৰিৱেশন কৰে। অধিৱেশনথলীত কালি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্মৃতিগ্ৰন্থ ভকতিধাৰা উন্মোচন কৰা হয়। সংঘৰ অধিবেশন সন্দৰ্ভত দলগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা সংঘৰ সদস্য ড০ সুৰুয জ্যোতি বৰুৱাই এইদৰে কয়---- (বাইট)

অধিৱেশনৰ আজি দ্বিতীয় দিনা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা।

০০০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'চবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০০০০

আকাশবাণীৰ লেখনিক আকাশবাণীৰ সাহিত্য হিচাপে গন্য কৰিব পাৰি। শিৱসাগৰত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত কালি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ উদ্যোগত ৰেডিঅ' সাহিত্য শীৰ্ষক আলোচনা চক্ৰত এই

বিষয়ে আলোচনা কৰা হয়। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ মুৰববী লোহিত ডেকাৰ পৌৰহিত্যত অনুষ্ঠিত আলোচনাত চক্ৰত অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক সত্যকাম বৰঠাকুৰে কয়, যে অনাতাঁৰৰ বিভিন্ন অনুষ্ঠানৰ বাবে লিখা লেখনিসমূহ আনতকৈ সদায় পৃথক আৰু সেয়ে এই লেখাসমূহক আকাশবাণীৰ সাহিত্য হিচাপে বিবেচনা কৰা উচিত। অনুষ্ঠানত অংশ লৈ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ কৰবী ডেকা হাজৰিকাই অসমীয়া আধুনিক গীতক আকাশবাণীয়ে বিশেষ মাত্ৰা প্ৰদান কৰা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয়, যে আকাশবাণীত প্ৰচাৰৰ পাছতহে অসমীয়া গীতৰ কথাসমূহ গীতি সাহিত্যলৈ পৰিণত হ'ব পাৰে। এই গীতৰ কথাত সময়, প্ৰকৃতি, সংস্কৃতি, ইতিহাস, পৰম্পৰা আৰু বিশেষকৈ পৰিৱৰ্তিত অসমীয়া সমাজক অতি সুন্দৰভাৱে তুলি ধৰা হৈছে বুলি শিক্ষাবিদগৰাকীয়ে প্ৰকাশ কৰে।

0000000

দক্ষিণ শালমাৰা - মানকাছৰ জিলাত চাইবাৰ অপৰাধী চক্ৰহ জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ নাম আৰু ফটো ব্যৱহাৰ কৰি ভূৱা হোৱাটছএপ একাউণ্ট খুলি ধন দাবী কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি কয় যে তেওঁৰ নামত ভূৱা নম্বৰ, ফটো আৰু একাউণ্টযোগে ধন দাবী কৰা লোকক কোনোৱে যাতে ধন নিদিয়ে আৰু এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে ৰাইজক অচিনাকী আন্তঃৰাষ্ট্ৰীয় নম্বৰৰ পৰা অহা বাৰ্তালৈ সহাৰি নজনাবলৈ আৰু কোনো ধৰণৰ ধন প্ৰদান নকৰিবলৈ আহ্বান জনাইছে। সন্দেহজনক একাউণ্ট তৎক্ষণাত ব্লক কৰি দিবলৈও তেওঁ জনসাধাৰণক আহ্বান জনায়।

0000000

ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ ২৮ খন মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল দত্তই শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে। একেদৰে ডি কে ডি কলেজৰ ৰশ্মি ছেত্ৰী শ্ৰেষ্ঠ মহিলা খেলুৱৈৰ সন্মান লাভ কৰে।

0000000